**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINES

১।　প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰক্ষীৰ প্ৰতি জনসাধাৰণৰ বিশেষকৈ যুৱ চামৰ ধাৰণা সলনি কৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰিছে।

২।　প্ৰধানমন্ত্ৰীয়ে কৃষিখণ্ডত লাভ কৰা গুৰুত্বপূৰ্ণ সাফল্যৰ জৰিয়তে ভাৰতে অভিলেখৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে।

৩।　সংসদৰ শীতকালীন অধিবেশনৰ প্ৰতি লক্ষ্য ৰাখি সংসদ ভৱনত আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৪।　ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰক্ষীৰ প্ৰতি জনসাধাৰণৰ বিশেষকৈ যুৱ চামৰ ধাৰণা সলনি কৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে পেচাদাৰীত্ব, সংবেদনশীলতা আৰু দায়বদ্ধতা বৃদ্ধিৰে জনসাধাৰণৰ ধাৰণা সলনি কৰাটো সম্ভৱ হ'ব। আজি ৰায়পুৰত আয়োজিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ ৬০ সংখ্যক সন্মিলনত প্ৰধানমন্ত্ৰীয়ে অধ্যক্ষতা কৰে। তেওঁ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত আৰক্ষী তথা প্ৰশাসনক জনবসতিহীন দ্বীপসমূহক একত্ৰিত কৰাৰ বাবে উদ্ভাৱনী কৌশল গ্ৰহণ কৰি নেটগ্ৰীডৰ অধীনত তথ্য একত্ৰিত কৰি কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে সংযোজিত কৰি কাৰ্যক্ষম চোৰাংচোৱা ব্যৱস্থা গঢ়ি তুলিবলৈ নিৰ্দেশ দিছে। তেওঁ লগতে বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহক আৰক্ষীৰ অনুসন্ধানত ফৰেন্সিকৰ ব্যৱহাৰ সন্দৰ্ভত অধ্যয়ন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে নিষিদ্ধ ঘোষিত সংগঠনসমূহক নিয়মীয়াকৈ নিৰীক্ষণ কৰাৰ বাবে ব্যৱস্থা গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে বাও উগ্ৰবাদ মুক্ত অঞ্চলসমূহত সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰাৰ লগতে উপকূল অঞ্চলৰ নিৰাপত্তা শক্তিশালী কৰিবলৈ নতুন ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এই সন্মিলনৰ মূল বিষয়বস্তু আছিল বিকশিত ভাৰত সুৰক্ষাৰ দিশসমূহ। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ইণ্টেলিজেঞ্চ ব্যুৰ'ৰ বিষয়াসকলক তেওঁলোকে আগবঢ়োৱা বিশেষ সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক প্ৰদান কৰে। তেওঁ লগতে নগৰীয়া আৰক্ষী সেৱাত আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে তিনিখন মহানগৰ আৰক্ষীক বঁটা প্ৰদান কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষিখণ্ডত লাভ কৰা গুৰুত্বপূৰ্ণ সাফল্যৰ জৰিয়তে ভাৰতে অভিলেখৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে। খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ ৩৫ কোটি ৭০ লাখ টনলৈ বৃদ্ধি পোৱাৰ ফলত ইতিহাসৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰি তেওঁ পূৰ্বৰ ১০ বছৰৰ তুলনাত ভাৰতৰ খাদ্য শস্যৰ উৎপাদন ১০ কোটি টন বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰে। আকাশবাণীৰ আজিৰ মন কী বাত অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

তেওঁ কয়, যে শেহতীয়া ঘটনাৱলীয়ে ভাৰতৰ নতুন চিন্তা উদ্ভাৱন আৰু যুৱ শক্তিক উদ্ভাষিত কৰি তুলিছে।

মাত্ৰ কেইদিনমানৰ পূৰ্বে ভাৰতে কমনৱেল্থ ক্ৰীড়া সমাৰোহৰ আয়োজক দেশ হিচাপে স্বীকৃতি লাভ কৰাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ক্ৰীড়া ক্ষেত্ৰতো দেশখনে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

ক্ৰীড়াৰ ক্ষেত্ৰখনত ২০২৫ বৰ্ষৰ নৱেম্বৰ মাহটো উল্লেখযোগ্য  বুলি অভিহিত কৰি শ্ৰীমোদীয়ে এই সন্দৰ্ভত ভাৰতীয় মহিলা খেলুৱৈৰ দলে আই চি চি মহিলা বিশ্বকাপত খিতাপ দখল কৰাৰ প্ৰসংগ উল্লেখ কৰে। টকিঅ'ত অনুষ্ঠিত বধিৰ খেলুৱৈৰ অলিম্পিকত  ভাৰতৰ কুৰিটা পদক দখল, কাবাডী বিশ্বকাপতো  মহিলা খেলুৱৈসকলে সৃষ্টি কৰা ইতিহাস, বিশ্ব বক্সিং কাপত কুৰিটা পদক অৰ্জন, দৃষ্টিহীন ক্ৰিকেট বিশ্বকাপত মহিলাৰ দলটোৰ খিতাপ দখলৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই সফলতাই প্ৰতিগৰাকী ভাৰতীয়ক উদ্বুদ্ধ কৰি ৰাখিব বুলি কয়।

দেশত সম্প্ৰতি এণ্ডিউৰেন্স স্পোৰ্টছ্ শীৰ্ষক ক্ৰীড়া সংস্কৃতি নতুনকৈ উদ্ভাসিত হৈ অহাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে সম্প্ৰতি সমগ্ৰ দেশতে প্ৰতিমাহে ডেৰ হেজাৰতকৈও অধিক সংখ্যক এণ্ডিউৰেন্স স্পোৰ্টছ্‌ৰ অনুষ্ঠান আয়োজিত হৈ আহিছে। একেদৰে  দুঃসাহসিক ক্ৰীড়াৰ প্ৰসংগ উল্লেখ কৰি তেওঁ পিথোৰাগড়ত সাগৰপৃষ্ঠৰ পৰা ১৪ হাজাৰ ৫০০ ফুট উচ্চতাত আয়োজিত মাৰাথন প্ৰতিযোগিতাত ১৮ খন ৰাজ্যৰ ৭৫০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ বিষয়ে কয়।

ভাৰতীয় নৌ সেনাত আই এন এছ্ মাহেৰ অন্তৰ্ভুক্তিক লৈ শ্ৰীমোদীয়ে কয় যে ভাৰতৰ পৰিৱেশ তন্ত্ৰৰ সুৰক্ষা শক্তিশালী কৰি তোলাক লৈ প্ৰতিগৰাকী ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে।

একেদৰে ভোকেল ফৰ লোকেল মন্ত্ৰ চতুৰ্থ কাশী তামিল সংগমম  দক্ষিণ ভাৰতৰ প্ৰাকৃতিক কৃষি কাৰ্যৰ লেখিয়া ভালেমান বিষয় প্ৰধানমন্ত্ৰীয়ে আজিৰ মন কী  বাত অনুষ্ঠানত  উল্লেখ কৰে।

০০০০০০০

সংসদৰ শীতকালীন অধিবেশনৰ প্ৰতি লক্ষ্য ৰাখি সংসদ ভৱনত আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। এই সৰ্বদলীয়া বৈঠকখনত  প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰে। এই বৈঠকত ৩৬ টা ৰাজনৈতিক দলৰ ৫০ গৰাকী নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে বৈঠকখন ইতিবাচক আছিল বুলি মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে সকলো ৰাজনৈতিক দলৰ নেতাসকলক সংসদৰ  শীতকালীন অধিৱেশনৰ  সময়ছোৱাত উভয় সদনৰ কামকাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বানা জনায়। তেওঁ কয়, যে আইনগত আৰু অন্যান্য প্ৰায় ১৪টা বিষয় এই অধিৱেশন কালত আলোচনা কৰাৰ সম্ভাৱনা আছে। চৰকাৰে উভয় সদনৰ নিয়ম অনুসৰি গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰিবলৈ প্ৰস্তুত বুলি তেওঁ উল্লেখ কৰে। আন আন ৰাজনৈতিক দলসমূহৰ নেতাসকলেও অধিৱেশনৰ সময়ছোৱাত উত্থাপন কৰিবলগীয়া বিষয়সমূহৰ ক্ষেত্ৰত মতামত আগবঢ়োৱাৰ লগতে চৰকাৰক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

ৰাজ্যসভাৰ সংসদীয় নেতা জে পি নাড্ডা, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিৰিজু, একে দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগানৰ লগতে কংগ্ৰেছ নেতা গৌৰৱ গগৈ, ডি এম কে নেতা টিৰুচি

শিৱা, তৃণমূল কংগ্ৰেছৰ নেতা ডেৰেক অ' ব্ৰায়েন, সমাজবাদী দলৰ নেতা ৰামগোপাল যাদৱ, জেডিইউৰ নেতা সঞ্জয় ঝা আৰু শিৱসেনাৰ নেতা নৰেশ মাহাস্কেকে ধৰি কেইবাগৰাকীও সাংসদে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিবেশন কাইলৈ আৰম্ভ হ'ব আৰু অহা ১৯ ডিচেম্বৰত এই অধিবেশনৰ সামৰণি পৰিব।

oooooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কাইলৈ বিশ্ব এইডছ দিৱসৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ নেতৃত্ব দিব। এইচ আই ভি প্ৰতিৰোধৰ লগতে চিকিৎসা, যত্ন আৰু কলংক নিৰ্মূলৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহৰাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানে চৰকাৰী নেতা, বিভিন্ন অংশীদাৰ, যুৱ প্ৰতিনিধি, এইচ আই ভি আক্ৰান্ত লোক আৰু আগশাৰীৰ চিকিৎসা কৰ্মীসকলক একত্ৰিত কৰিব। ইয়াৰ জৰিয়তে জনস্বাস্থ্যৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপ এইডচ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত দেশৰ একত্ৰিত প্ৰচেষ্টা প্ৰতিফলিত হ'ব। এই অনুষ্ঠানতে ৰাষ্ট্ৰীয় এইডচ নিয়ন্ত্ৰণ সংস্থাৰ এলানি নতুন ভিডিঅ' সজাগতা অভিযানৰ আৰম্ভ কৰা হয়। এই অনুষ্ঠানত সংগীতানুষ্ঠানৰ লগতে পৰীক্ষা, চিকিৎসা আৰু বিশ্বাসেৰে জীয়াই থকাক বিষয়বস্তু হিচাপে লৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

oooooooo

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ নতুন দিল্লীত "সৰস অজীৱিকা খাদ্য মহোৎসৱ ২০২৫" উদ্বোধন কৰিব। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে জনোৱা অনুসৰি সমগ্ৰ দেশৰ ২৫ খন ৰাজ্যৰ প্ৰায় ৩০০ গৰাকী লাখপতি দিদি আৰু আত্মসহায়ক গোটৰ মহিলাই এই মহোৎসৱত অংশগ্ৰহণ কৰিব। ইয়াত মুঠ ৬২ খন বিপনীত বিভিন্ন ধৰণৰ খাদ্য উপলব্ধ হ'ব বুলিও মন্ত্ৰালয়ৰ পৰা প্ৰকাশ কৰিছে । অসম, অৰুণাচল প্ৰদেশ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, কেৰালা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, গোৱা, গুজৰাটকে ধৰি ভিন ভিন ৰাজ্যসমূহে এই খাদ্য উৎসৱত অংশগ্ৰহণ কৰিব। দিল্লী আৰু কাষৰীয়া অঞ্চলৰ পৰা অহা দৰ্শকে ৫০০ ৰো অধিক বিভিন্ন খাদ্যৰ সোৱাদ লোৱাৰ উপৰি বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ আৰ্হিস্বৰূপ বস্ত্ৰও দৰ্শন কৰিব পাৰিব। এই খাদ্য মহোৎসৱ পুৱা ১১:৩০ বজাৰ পৰা নিশা ৯:৩০ বজালৈ দৰ্শনাৰ্থীৰ বাবে মুকলি থাকিব আৰু অহা ৯ ডিচেম্বৰলৈকে চলিব।

oooooooo

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে বিগত এঘাৰ বছৰত ৩২ লাখৰো অধিক দিব্যাংগ ব্যক্তিক আধুনিক যন্ত্ৰৰে সহায় কৰা হৈছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত ভাৰতৰ কৃত্ৰিম অংগ নিৰ্মাণ নিগমৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে এইবাৰৰ প্ৰতিষ্ঠা দিৱসত এই নিগমক নতুন চিন্তাৰে নতুন পৰিচয় প্ৰদান কৰা হৈছে বুলিও প্ৰকাশ কৰে। দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ স্বাধীনতা আৰু

দৈনন্দিন কাম-কাজ সুচাৰুৰূপে চলাই নিবৰ বাবে নতুনকৈ বিকোশাই তোলা তিনিচকীয়া স্কুটাৰ আৰু হুইলচেয়াৰ মুকলি কৰে। আজিৰ অনুষ্ঠানত সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰ্যালয়ৰ ৰাজ্য মন্ত্ৰী বি. এল. বাৰ্মাই বিকশিত ভাৰতৰ দৃষ্টিভংগী সাধনৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৪৯ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে সৰ্বাধিক ১৩৫ ৰাণ কৰে। কে এল ৰাহুলে ৬০ আৰু ৰোহিত শৰ্মাই ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেন, নান্দ্ৰে বাৰ্গাৰ, কৰ্বিন বস্ক আৰু অ'টনিল বাৰ্টমেনে দুটাকৈ উইকেট লাভ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাই ১৫ অভাৰত ৪টা উইকেট হেৰুৱাই ৭৭ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতৰ হৈ হৰ্ষিত ৰানা দুটা আৰু অশদ্বীপ সিং, কুলদীপ যাদৱে এটাকৈ উইকেট দখল কৰিছে।

০০০০০০০

সমাপ্ত